**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-02-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

## HEADLINES

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি যোৱা বছৰ সমূহৰ দৰে এইবাৰো পৃথকে কোনো ৰে'ল বাজেট উত্থাপন কৰা নহয়। মূল কেন্দ্ৰীয় বাজেটতে বিত্তমন্ত্ৰী সীতাৰমণে ৰে'ল বিভাগৰ বাবে পৰৱৰ্তী বিত্তীয় বছৰৰ আয়-ব্যয়ৰ খতিয়ান আৰু আঁচনি দাঙি ধৰিব। বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় অহা ১৩ ফেব্ৰুৱাৰীলৈ আৰু দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰীয়ে আজি বাজেট দাখিল কৰি সদনত দিয়া ভাষণ আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাত দিনৰ ১০ বাজি ১০ মিনিটৰ পৰা এই বাজেট ভাষণ প্ৰচাৰিত হ'ব। বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ পাছতে আমাৰ দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰিত হ'বলগীয়া বাতৰি প্ৰচাৰিত হ'ব। এই পোনপটীয়া অনুষ্ঠানৰ বাবে আমাৰ আজি দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি সংসদৰ উভয় সদনত প্ৰাক বাজেট অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই সমীক্ষাত ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি দেশৰ বিত্তীয় শৃংখলাও ক্ৰমাগতভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে। ২০১৭-১৮ চনৰ তুলনাত ১৫ বছৰ উৰ্ধৰ নিবনুৱাৰ হাৰ ৬ শতাংশৰ পৰা ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে বুলি অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয় অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড০ বিপুল কুমাৰ ৰাভা, ষ্টাৰ্ট আপ উদ্যামী প্ৰণৱ তালুকদাৰ আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হাজৈয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ঔদ্যোগীক আৰু বিনিয়োগ অনুকূল ৰাজ্য হিচাপে অসমৰ সৰ্বাংগীন বিকাশ নিশ্চিত কৰাৰ বাবে অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতি ২০২৫, অসম মহাকাশ আৰু

প্ৰতিৰক্ষামূলক সামগ্ৰী উৎপাদন নীতি ২০২৫ আৰু বায়' ই থ্ৰী নীতিৰ কাৰ্যকৰী আঁচনিত অনুমোদন জনোৱা হয়। ৰাজ্যত ষ্টাৰ্ট আপৰ বিকাশত পুঁজি আৰু পৰামৰ্শমূলক সমৰ্থনৰ বাবে এটা বিশেষ প্ৰশাসনীক বিভাগ সৃষ্টিত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাত ১৯ খন জিলাৰ চাহ বাগিচা অঞ্চলৰ ২১৯ টা গ্ৰাম্য পথ উন্নত কৰাৰ বাবে ২৩৪ কোটি টকাত অনুমোদন জনোৱা হয়।

ooooo

মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ আবেদন গ্ৰহণৰ সময়সীমা অহা ১৫ ফেব্ৰুৱাৰীলৈ বৃদ্ধি কৰা হৈছে। এই পৰ্যায়ত অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে ডিজিটেল প্ৰক্ৰিয়াৰে বন্দবস্তি, মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত স্থগিত ৰখা আবেদনৰ পুনৰ পৰীক্ষা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰাঞ্চল হিচাপে ঘোষিত এলেকাত দখলিস্বত্ব থকা ৰায়তক মালিকিস্বত্ব প্ৰদান, স্বমিত্ব আঁচনিৰ অধীনত জৰিপ নোহোৱা গাঁৱৰ ভূমি বন্দবস্তি আদি কাৰ্যসমূহ সম্পন্ন কৰা হ'ব। ইয়াৰ বাবে জনসাধাৰণে sewasetu.assam.gov.in প'ৰ্টেলৰ জৰিয়তে ল'গ ইন কৰি আধাৰ আৰু পেন কাৰ্ডৰ ই-কে ৱাই চি সম্পূৰ্ণ কৰি আবেদন কৰিব পাৰিব। জনসাধাৰণে লগতে নিকতৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈও আবেদন কৰিব পাৰিব।

ooooo

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে আজিৰে পৰা ১০ ফেব্ৰুৱাৰীলৈ অন্ন সেৱা দিনৰ কাৰ্যসূচী হাতত লৈছে। খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ লক্ষ্যৰে এই বিশেষ দিনকেইটাত প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে অন্ত্যোদয়া অন্ন যোজনাৰ অধীনত প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ ৩৫ কিলোগ্ৰাম বিনামূলীয়া চাউল প্ৰদানৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী হিতাধিকাৰীলৈ ৫ কিলোগ্ৰাম চাউল প্ৰদান কৰা হ'ব।

ooooo

পুণেত অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত কালি ভাৰতে ইংলেণ্ডক ১৫ ৰাণত পৰাস্ত কৰে। ভাৰত সম্প্ৰতি শৃংখলাত ৩-১ ব্যৱধানত আগবাঢ়ি আছে। ইংলেণ্ডে ১৮২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬৬ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ৰবি বিষ্ণয় আৰু হৰ্ষিত ৰাণাই তিনিটাকৈ উইকেট দখল কৰে। বৰুণ চক্ৰৱৰ্তীয়ে একেটা অভাৰতে হেৰী ব্ৰুক আৰু ব্ৰাইড'ন কাৰ্চেৰ গুৰুত্বপূৰ্ণ উইকেট দুটা দখল কৰি ইংলেণ্ডৰ বেটিং লাইন বিধবস্ত কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৮১ ৰাণ সংগ্ৰহ কৰে। হাৰ্দিক পাণ্ডিয়াই ৩০টা বলত ৫৩ ৰাণ কৰাৰ লগতে শিবম ডুবে ৩৬টা বলত ৫৩ ৰাণত সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ ছাকিব মহম্মদে তিনিটাকৈ উইকেট দখল কৰে। শিবম ডুবেক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাটোৰ পঞ্চম তথা অন্তিমখন খেল মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত